# অসম বিজ্ঞান মহোৎসৱত ৰাজ্যিক বিজ্ঞান বঁটা প্ৰদান



*বিজ্ঞান কেৱল শিক্ষিত মানুহৰ বাবে বুলি থকা ধাৰণা আঁতৰ কৰাৰ পোষকতা কৰি মুখ্য মন্ত্ৰীয়ে কয় যে বিজ্ঞানক উন্নয়নৰ বাহক হিচাপে পৰিচয় কৰাব লাগিব। পঞ্চায়তে পঞ্চায়তে বিজ্ঞান মেলা আয়োজন কৰিব পাৰিলে গাঁৱৰ জনসাধাৰণে বিজ্ঞানক নিচেই কাষতে আৱিষ্কাৰ কৰিবলৈ সক্ষম হ'ব। বিজ্ঞান আৰু মানুহৰ নিবিড় সম্পৰ্ক গঢ় দিয়াৰ বাবে শক্তিশালী পৰিৱেশ ৰচনা কৰাৰ ওপৰত গুৰুত্ব দি মুখ্য মন্ত্ৰীয়ে কয় যে একবিংশ শতিকাত বিজ্ঞান-প্ৰযুক্তিবিদ্যা অবিহনে সপোন দিঠকত পৰিণত কৰিব নোৱাৰে। ক্ষিপ্ৰতাৰে সফলতা লাভ কৰিবলৈ হ'লে বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ সহায় ল'বই লাগিব।*

অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা আৰু তথ্য-প্ৰযুক্তি বিভাগৰ সহযোগত ৰাজ্যখনত পোন প্ৰথমবাৰৰ বাবে সফলতাৰে আয়োজন কৰা হয় অসম বিজ্ঞান মহোৎসৱ। যোৱা ২৭ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰা এই মেলাখন ২৮ ফেব্ৰুৱাৰীত অন্ত পৰে। ২৮ ফেব্ৰুৱাৰীত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত সামৰণী অনুষ্ঠানত উপস্থিত থাকি মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰসিদ্ধ কৃষি বিজ্ঞানী প্ৰয়াত ডঃ ধীৰেন্দ্ৰ নাথ বৰঠাকুৰক মৰণোত্তৰভাৱে জীৱনজোৰা সাধনা বঁটা, ড° দেৱাশিস বৰাক যুৱ বিজ্ঞানী বঁটা আৰু 'আৰণ্যক'ক বিজ্ঞান জনপ্ৰিয়কৰণ আৰু গৱেষণা বঁটা প্ৰদান কৰে। ভাষণ প্ৰসংগত মুখ্য মন্ত্ৰীয়ে কয় যে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা হৈছে এখন দেশৰ সৰ্বাংগীণ উন্নতিৰ মূল আধাৰ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা অবিহনে অৰ্থনৈতিক বিকাশ, দৰিদ্ৰ নিৰ্মূলকৰণ, পৰম্পৰাগত অসূয়া নিৰ্মূল, সংকীৰ্ণতা, অন্ধবিশ্বাস দূৰীকৰণ আদি সম্ভৱ নহয়। সেইবাবে বিজ্ঞানৰ জনপ্ৰিয়তাৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক বন্ধু হিচাপে গ্ৰহণ কৰিব লাগিব। পোন প্ৰথমবাৰৰ বাবে ৰাজ্যিক বিজ্ঞান বঁটা প্ৰদান কৰাৰ উদ্দেশ্য হৈছে সাধাৰণ মানুহৰ ওচৰলৈ বিজ্ঞানক লৈ যোৱা। বিজ্ঞান কেৱল শিক্ষিত মানুহৰ বাবে বুলি থকা ধাৰণা আঁতৰ কৰাৰ পোষকতা কৰি মুখ্য মন্ত্ৰীয়ে কয় যে বিজ্ঞানক উন্নয়নৰ বাহক হিচাপে পৰিচয় কৰাব লাগিব। পঞ্চায়তে পঞ্চায়তে বিজ্ঞান মেলা আয়োজন কৰিব পাৰিলে গাঁৱৰ জনসাধাৰণে বিজ্ঞানক নিচেই কাষতে আৱিষ্কাৰ কৰিবলৈ সক্ষম হ'ব। বিজ্ঞান আৰু মানুহৰ নিবিড় সম্পৰ্ক গঢ় দিয়াৰ বাবে শক্তিশালী পৰিৱেশ ৰচনা কৰাৰ ওপৰত গুৰুত্ব দি মুখ্য মন্ত্ৰীয়ে কয় যে একবিংশ শতিকাত বিজ্ঞান-প্ৰযুক্তিবিদ্যা অবিহনে সপোন দিঠকত পৰিণত কৰিব নোৱাৰে। ক্ষিপ্ৰতাৰে সফলতা লাভ কৰিবলৈ হ'লে বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ সহায় ল'বই লাগিব। এই বছৰৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মূল বিষয় হৈছে বিশেষভাৱে সক্ষম ব্যক্তিৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা। মুখ্য মন্ত্ৰীয়ে কয় যে প্ৰধান মন্ত্ৰীয়ে দিব্যাংগজনৰ কল্যাণ আৰু সমাজত আৰু এক শক্তিশালী ব্যক্তি হিচাপে গঢ় দিয়াৰ বাবে প্ৰতিগৰাকী ব্যক্তিকে দৃঢ়তাৰে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। ৰাজ্য চৰকাৰেও বিশেষভাৱে সক্ষম ব্যক্তিক সহযোগিতা আগবঢ়োৱাৰ সংকল্প লোৱাৰ কথা ঘোষণা কৰি মুখ্য মন্ত্ৰীয়ে কয় যে দীনদয়াল উপাধ্যায়ে সমাজৰ দৰিদ্ৰজনকো সহায় কৰাৰ আহ্বান জনাই গৈছে। দিব্যাংগজনৰ দক্ষতা আৰু যোগ্যতা বৃদ্ধিৰ বাবে সহযোগিতা আগবঢ়োৱাৰ উপৰি এক পৰিৱেশ নিৰ্মাণ কৰিব পাৰিলেহে মানৱ ধৰ্ম পালন কৰা হ'ব। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সফল প্ৰয়োগৰ জৰিয়তে দক্ষতা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দি চাহ বাগিচা, দুৰ্গম এলেকা, পাহাৰীয়া অঞ্চলৰ লোকসকলো যাতে বিজ্ঞানৰ প্ৰতি আগ্ৰহী হয়, তাৰ বাবে বিজ্ঞানীসকলে চিন্তা-চৰ্চা কৰিব লাগিব বুলিও মুখ্য মন্ত্ৰীয়ে উল্লেখ কৰে। আনহাতে মুখ্য মন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ বানৰ বাবে মাত্ৰ সাতমাহহে কৰ্মদিন পোৱা যায়। এই সাত মাহত দুটা খেতি কৰিব পৰাকৈ বিজ্ঞানীসকলে উন্নত মানৰ বীজ উদ্ভাৱন কৰিব লাগিব। উক্ত অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কয় যে ৰাজ্য চৰকাৰে বিজ্ঞান জনপ্ৰিয়কৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ উল্লেখ কৰে যে প্ৰতিখন জিলাতে বিজ্ঞান কেন্দ্ৰ স্থাপন কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। আনহাতে উক্ত অনুষ্ঠানত বিশিষ্ট উদ্ভাৱক উদ্ধৱ ভৰালীৰ গৱেষণাগাৰৰ কাৰণে ৰাজ্য চৰকাৰে দুই লাখ টকা আগবঢ়োৱাৰ কথা মন্ত্ৰী মহন্তই ঘোষণা কৰে। এই অনুষ্ঠানত মুখ্য মন্ত্ৰীয়ে অসম বিজ্ঞান মহোৎসৱৰ উপলক্ষে প্ৰকাশ কৰা এখন স্মৰণিকা উন্মোচন কৰাৰ লগতে বিজ্ঞান প্ৰদৰ্শনী মেলাও পৰিদৰ্শন কৰে। ❑❑



# দুৰ্নীতিৰ বিৰুদ্ধে চৰকাৰৰ জেহাদ

ক্ষিপ্ৰগতিত বিকাশৰ পথেৰে আগুৱাই নিয়াৰ সমান্তৰালভাৱে অসমক দুৰ্নীতিমুক্ত কৰাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিছে সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে। গভীৰলৈকে পোখা মেলা দুৰ্নীতিক নিৰ্মূল কৰাৰ বাবে অভিযান আৰম্ভ কৰা ৰাজ্য চৰকাৰে বিন্দুমাত্ৰও দুৰ্নীতি সহ্য কৰা নহ'ব বুলি স্পষ্ট কৰি দিছে। চৰকাৰৰ কল্যাণমূলক আঁচনিসমূহৰ সুফল লাভ কৰি সমাজৰ সৰ্বস্তৰৰ নাগৰিকৰ সমবিকাশ সুনিশ্চিত কৰিবলৈ হ'লে দুৰ্নীতি নিৰ্মূল কৰিবই লাগিব বুলি চৰকাৰে ঘোষণা কৰিছে। দুৰ্নীতি নিৰ্মূল আৰু বিকশিত অসম গঢ়াৰ যি প্ৰতিশ্ৰুতিৰে বিজেপিয়ে বিগত বিধানসভা নিৰ্বাচনত প্ৰচাৰ অভিযান চলাইছিল সেই প্ৰতিশ্ৰুতি বাস্তৱায়িত কৰাৰ বাবে চৰকাৰৰ দায়বদ্ধতা ইতিমধ্যে প্ৰতিফলিত হৈছে। দুৰ্নীতি নিৰ্মূলৰ ক্ষেত্ৰত বিন্দুমাত্ৰও আপোচ নকৰাৰ স্থিতিৰে মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগকে দুৰ্নীতিমুক্ত কৰাৰ পদক্ষেপ লৈছে। চৰকাৰ গঠন কৰাৰ পাছতেই ৰাজ্যখনৰ বিভিন্ন ক্ষেত্ৰত চলি থকা ছিণ্ডিকেটৰাজ নিৰ্মূলকৰণৰ অভিযান চলোৱা হৈছিল। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত চলি থকা সকলো চেকগে'ট বন্ধ কৰাটো আছিল নতুন চৰকাৰখনৰ এক উল্লেখনীয় পদক্ষেপ। আনহাতে, দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা চৰকাৰখনে বিভিন্ন বিভাগত সংঘটিত হৈ অহা বিয়াগোম কেলেংকাৰিসমূহৰ তদন্তৰ প্ৰক্ৰিয়াও আৰম্ভ কৰিছে। এ পি এছ চি, কৃষি, সমাজ কল্যাণকে ধৰি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত সংঘটিত হৈ থকা দুৰ্নীতিৰ তদন্তৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। দুৰ্নীতিত লিপ্ত বহুকেইজন বিষয়া-কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰি নিক্ষেপ কৰা হৈছে জে'ললৈ। আকণ্ঠ দুৰ্নীতিত নিমজ্জিত এ পি এছ চিৰ অধ্যক্ষ ৰাকেশ পালৰ গ্ৰেপ্তাৰ তথা অধ্যক্ষ পদৰ পৰা অপসাৰণ চৰকাৰৰ দুৰ্নীতি নিৰ্মূল অভিযানৰ অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হৈছে। বন সুৰক্ষাৰ দায়িত্বত নিয়োজিত হৈ থাকি বনাঞ্চল ধ্বংসৰে সম্পত্তিৰ পহাৰ গঢ়া মহৎ তালুকদাৰক গ্ৰেপ্তাৰ কৰাটো দুৰ্নীতি নিৰ্মূল অভিযানৰ আন এক উল্লেখযোগ্য দিশ। ৰাকেশ পালৰ গ্ৰেপ্তাৰক লৈ সৃষ্টি হোৱা জোকাৰণিৰ মাজতেই আৰক্ষীয়ে জালত পেলায় এ পি এছ চিক চাকৰিৰ নিলাম বজাৰলৈ পৰ্যবসিত কৰা কেইবাজনো বিষয়া-কৰ্মচাৰীক। দুৰ্নীতিত সাঙোৰ খাই পৰা এ পি এছ চি সদস্য চামেদুৰ ৰহমান আৰু বসন্ত দলেৰ লগতে পৱিত্ৰ কৈবৰ্তকে ধৰি আন কেইবাজনকো গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰা হৈছে। উল্লেখ্য যে এ পি এছ চি কেলেংকাৰিৰ বিষয়টোক লৈ দীৰ্ঘদিন ধৰি ব্যাপক চৰ্চা চলি আছিল যদিও পূৰ্বৰ চৰকাৰৰ দিনত সেই কেলেংকাৰি বন্ধ কৰাৰ বাবে তথা দুৰ্নীতিত লিপ্তসকলক নিয়ন্ত্ৰণৰ বাবে কোনোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাছিল। কিন্তু দুৰ্নীতি নিৰ্মূলৰ বাবে বদ্ধপৰিকৰ সোণোৱাল চৰকাৰে আৰম্ভ কৰিছে দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীসকলক আঁতৰাই এ পি এছ চিৰ নিকাকৰণ অভিযান। এ পি এছ চিৰ চাকৰি বিক্ৰী কৰা নৰকান্ত পাটিৰ নামৰ এজন দালালক ডিব্ৰুগড় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছতে আৰম্ভ হৈছিল ৰাকেশ পালক গ্ৰেপ্তাৰৰ প্ৰক্ৰিয়া। এ পি এছ চিৰ অধ্যক্ষ পদত প্ৰতিষ্ঠিত হৈ দুৰ্নীতিৰ সাম্ৰাজ্য বিস্তাৰ কৰা পালৰ গ্ৰেপ্তাৰে এ পি এছ চিত সুদীৰ্ঘ বছৰ ধৰি চলি থকা দুৰ্নীতিৰ বহু কলংকিত অধ্যায় পোহৰলৈ আনে। শেহতীয়াকৈ ৰাজ্যখনত জোকৰণি তোলা আন এক ঘটনা হৈছে ব্যাপক কেলেংকাৰিৰে কৃষকৰ বাবে ৰূপায়িত আঁচনিৰ কোটি কোটি টকা আত্মসাৎ কৰা কৃষি বিভাগৰ পাঁচজন বিষয়া-অভিযন্তাক গ্ৰেপ্তাৰ। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আৰু পূব ভাৰতত সেউজ বিপ্লৱ আঁচনি ৰূপায়ণৰ নামত সংঘটিত ৭০০ কোটি টকাৰ কেলেংকাৰিত জড়িত থকাৰ অভিযোগত চি আই ডিয়ে যোৱা ১৪ ফেব্ৰুৱাৰীত গ্ৰেপ্তাৰ কৰে গোলাঘাট-নগাঁও জিলাত কৰ্মৰত বিষয়া-অভিযন্তাকেইজনক। চি আই ডিয়ে গ্ৰেপ্তাৰ কৰিছে গোলাঘাটৰ মহকুমা কৃষি বিষয়া তথা বৰ্তমানৰ যোৰহাট জিলা কৃষি বিষয়া বীৰেন্দ্ৰ নাথ শৰ্মা, গোলাঘাটৰ তদানীন্তন সহকাৰী কাৰ্যবাহী অভিযন্তা তথা বৰ্তমান গহপুৰত কৰ্মৰত সহকাৰী অভিযন্তা লক্ষেশ্বৰ গাম, নগাঁৱৰ তদানীন্তন কাৰ্যবাহী অভিযন্তা তথা বৰ্তমান গুৱাহাটীৰ খানাপাৰাস্থ কৃষি ভৱনৰ কাৰ্যবাহী অভিযন্তা দিলীপ বৰুৱা, নগাঁৱৰ কাৰ্যবাহী অভিযন্তা ৰণবীৰ কাকতি আৰু নগাঁৱতে কৰ্মৰত কনিষ্ঠ অভিযন্তা ৰোহিত ভৰালীক। বিভিন্ন দুৰ্নীতিৰ প্ৰসংগক লৈ দীৰ্ঘদিন ধৰি চৰ্চাৰ মাজত থকা সমাজ কল্যাণ বিভাগতো আৰম্ভ হৈছে দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীক গ্ৰেপ্তাৰৰ অভিযান। ৰাজ্য চৰকাৰৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক বিভাগে শেহতীয়াকৈ গ্ৰেপ্তাৰ কৰিছে দুহেজাৰ কোটি টকীয়া দুৰ্নীতিত সাঙোৰ খাই থকা সমাজ কল্যাণ বিভাগৰ ছজনকৈ বিষয়া-কৰ্মচাৰীক। যোৱা ২৭ ফেব্ৰুৱাৰীত গ্ৰেপ্তাৰ হোৱা সেই বিষয়া-কৰ্মচাৰীকেইজন হৈছে গোৱালপাৰা জিলাৰ সমাজ কল্যাণ বিষয়া হেমী বৰা, কামৰূপ জিলাৰ সমাজ কল্যাণ বিষয়া কিশোৰী দত্ত, কামৰূপৰ প্ৰকল্প বিষয়া কুলেন শইকীয়া, সমাজ কল্যাণ সঞ্চালকালয়ৰ গাণনিক বিষয়া আৰ এছ ভট্টাচাৰ্য, কামৰূপৰ উচ্চ বৰ্গৰ সহায়ক দেৱাশিস দে আৰু গোৱালপাৰাৰ কনিষ্ঠ সহায়ক ছাজিদ হুছেইন। মন কৰিবলগীয়া যে সমাজ কল্যাণ বিভাগত সংঘটিত দুজেহাৰ কোটি টকীয়া কেলেংকাৰি সন্দৰ্ভত ইতিমধ্যে জেৰা কৰা হৈছে প্ৰাক্তন মন্ত্ৰী অকণ বৰা, গৌতম ৰয় আৰু অজন্তা নেওগক। ৰাজ্য চৰকাৰখনে আৰম্ভ কৰা দুৰ্নীতি নিৰ্মূল অভিযানৰ এয়া হৈছে কেইটামান গুৰুত্বপূৰ্ণ উদাহৰণ। বিভিন্ন চৰকাৰী বিভাগৰ লগতে ৰাজ্যৰ সৰ্বস্তৰৰ পৰা দুৰ্নীতিৰ মূলোচ্ছেদৰ বাবে সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে আৰম্ভ কৰা অভিযানে সৰ্বাত্মক ৰূপ লোৱাৰ ইংগিত ইতিমধ্যে বহন কৰিছে। চৰকাৰৰ এই অভিযানে কঁপাই গৈছে দুৰ্নীতিৰে ক'লা ধন-সম্পত্তিৰ পাহাৰ গঢ়োতাসকলক। কাৰাবন্দী জীৱন কটোৱাৰ আশংকাত দুৰ্নীতিগ্ৰস্তসকলৰ চকুৰ টোপনি হেৰোৱাৰ বিপৰীতে এখন দুৰ্নীতিমুক্ত অসমৰ আশা উদ্ভাসিত হৈছে সাধাৰণ জনতাৰ মনত। ❐❐



# কিংকঙৰ পেট, আইনষ্টাইনৰ মগজু আৰু অসমৰ ছাত্ৰ-ছাত্ৰী

❑ *কুল শইকীয়া*





বিশ্ববিখ্যাত মল্লযোদ্ধা কিংকঙৰ আচল নাম আছিল এমিল জায়াৰ, জন্মগতভাৱে ৰুমানিয়ান। প্ৰায় ১৯০ কিলোগ্ৰাম ওজনৰ কিংকঙৰ দৈনন্দিন খাদ্য তালিকা আছিল এনেধৰণৰ— ৩ টা চিকেন ৰোষ্ট, ৩ টা সিজোৱা হাঁহ, ৩ ডজন কেঁচা কণী, দহৰ পৰা পোন্ধৰ পাউণ্ড ফলমূল, ১ পাউণ্ড পানী, ৮-৯ লিটাৰ গাখীৰ। সত্তৰ চনৰ মে’ মাহত পথ দুৰ্ঘটনাত মৃত্যুবৰণ কৰা কিংকঙৰ খাদ্য সম্ভাৰ সন্দৰ্ভত বিশদভাৱে পঢ়াৰ সময়ত মই অষ্টম শ্ৰেণীৰ ছাত্ৰ। ১৯৭১ চনত এই কথাখিনি পঢ়াৰ কিছু কালৰ পিছত মানুহৰ মগজুৰ ওপৰত পঢ়া প্ৰবন্ধ এটাৰ কথা ভালকৈ মনত আছে। থূলমূলকৈ কথাখিনি এনেধৰণৰ— প্ৰতিভাশালী লোকসকলৰ মগজুৰ ওজন অন্য লোকৰ তুলনাত তাৰতম্য আছে। বিখ্যাত ৰুছ ঔপন্যাসিক তুৰ্গেনিভৰ মগজুৰ ওজন আছিল ৭৮ আউন্স, য’ত সাধাৰণ মানুহৰ মগজুৰ গড় ওজন ৪৮-৫০ আউন্সৰ ভিতৰত। আনহাতে আকৌ স্বাভাৱিক অৱস্থাৰ মগজুত এহাজাৰ কোটি কোষ থাকে। এই কোষসমূহৰ বিকাশ আৰু অন্তঃসম্পৰ্কই মানুহৰ প্ৰতিভা নিৰূপণ কৰে। আইনষ্টাইনৰ মগজুৰ কোষৰ সংখ্যা এহাজাৰ কোটিতকৈ অধিক বুলিও বহু বৈজ্ঞানিকে অনুমান কৰিছিল। স্নায়ুবিজ্ঞানীৰ ধাৰণা যে আইনষ্টাইনৰ মগজুৰ তেজ সঞ্চালনকাৰী নলীবোৰ বিশেষ ধৰণে প্ৰস্তুত। এই নলীবোৰৰ বিন্ধা সাধাৰণতকৈ ডাঙৰ হোৱা বাবে মগজুৰ কোষবিলাকে অধিক পৰিমাণে অক্সিজেনৰ যোগান পায়। মগজুত তেজৰ যোগান যিমান বেছি মানুহৰ চিন্তা কৰাৰ ক্ষমতা আৰু লক্ষ্য সাধাৰণ একাগ্ৰতাও সিমানে বেছি। সঁচা-মিছা নাজানো, আইনষ্টাইনৰ মগজু তেওঁৰ মৃত্যুৰ পিছত ভৱিষ্যৎ গৱেষণাৰ বাবে সংৰক্ষণ কৰি থোৱা বুলি ক’ৰবাত পঢ়িছিলো। বহুত দিনেই মই একেটা চিন্তা কৰি আছিলো যে আইনষ্টাইনৰ মগজুৰ সংৰক্ষণ কৰাৰ দৰে অদ্ভুত খাদ্য পৰিমাণ গলাধকৰণ কৰিব পৰা কিংকঙৰ পেটটো (বা আন্ত্ৰিক যন্ত্ৰ-পাতি)ৰ সংৰক্ষণৰ ব্যৱস্থা হৈছেনে? সম্প্ৰতি মগজুৰ ওপৰত চলা গৱেষণা আদিৰ ফলত এটা কথা প্ৰতীয়মান হৈছে যে মগজুৰ কোষৰ সংখ্যা, তাৰ গঠন আদি মানুহে বিভিন্ন উপায়েৰে বৃদ্ধিকৰণ কৰিব পাৰে। অৰ্থাৎ মগজুক যদি দেহৰ অন্যান্য অংগ-প্ৰত্যংগৰ দৰে নিয়মিত কচৰৎ কৰিবলৈ দিয়া হয়, তাৰ পৰিবৰ্ধন আৰু কোষৰ গঠনত পাৰ্থক্য আহি পৰে। মগজুৰ কচৰৎ মানে শীৰ্ষাসন কৰি ভৰি দুখন ওপৰলৈ ৰাখি তলমুৰা কৰি থকাটো নহয়। চিন্তাৰ খোৰাক যোগাই, Problem Solving Situation ৰ অৱতাৰণা কৰি, মেধা শক্তি বঢ়াব পাৰিব বুলি স্নায়ু বিজ্ঞানৰ বহু পণ্ডিতে মতামত আগবঢ়াইছে। সেয়ে আজিৰ যুগৰ উন্নত দেশসমূহত পাঠ্যক্ৰমৰ ভিতৰত এনে ধৰণৰ কচৰতৰ অৱতাৰণা কৰা হৈছে, যাৰ ফলত মানুহৰ মেধা শক্তিৰ বৰ্ধন হৈ জাতি একোটাৰ শ্ৰীবৃদ্ধিত সহায়ক হয়। বৰ্তমান যুগৰ পৰীক্ষা-পাতি বা পাঠ্যক্ৰমৰ সৈতে আগৰ কেইবা দশকৰ পাঠ্যক্ৰম, শিকোৱা

পদ্ধতি, পৰীক্ষাৰ ব্যৱস্থা আদি ৰিজাই চালে কথাষাৰ ওলাই পৰে। কম বয়সীয়া ছোৱালীজনীয়ে পাৰিপাৰ্শ্বিকতাৰ পৰা আহৰণ কৰা জ্ঞানৰ সহায়ত কোনো এটা প্ৰশ্নৰ সাঁথৰৰ (Problem) উত্তৰ তপৰাই দিব পাৰিলে আপুনি 'মাকতকৈ জীয়েক কাজি' ধৰণৰ পেংলাই কৰাৰ অৰ্থ নাই। নৈসৰ্গিক পটভূমিয়েই তাইক মাকতকৈ অধিক জ্ঞান আহৰণৰ সুযোগ-সুবিধা দিছে।

আজি দেশৰ চাৰিওফালে মুক্ত অৰ্থনীতিয়ে পোহাৰ মেলি দিয়াৰ ফলত বহুজাতিক প্ৰতিষ্ঠান বা দেশীয় অনুষ্ঠানসমূহে গা কৰি উঠিবৰ প্ৰয়াস পাইছে বুলি কোৱা হৈছে। নতুন অৰ্থনৈতিক নীতিৰ এইবোৰ সা-সুবিধাৰ পৰা ফায়দা উঠোৱাৰ বাবে আজিৰ কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মেধা শক্তিক কামত লগাই তাৰ ব্যৱহাৰিক দিশত নিজকে প্ৰস্তুত কৰিবৰ হ'ল। যিবিলাক তাত্ত্বিক জ্ঞান স্কুল-কলেজত আহৰণ কৰা হৈছে, সেইবিলাকৰ ব্যৱহাৰিক দিশ প্ৰয়োগৰ প্ৰচেষ্টা কৰিলে, নিজৰ মগজুৱে চিন্তাৰ খোৰাক (Food for Thought) পালে কৰ্ম-নিয়োজনৰ বজাৰত এক দক্ষ প্ৰতিযোগী হ'ব পাৰি। উদাহৰণ স্বৰূপে, অসমৰ প্ৰায়বোৰ কলেজ আৰু বিশ্ববিদ্যালয়ত অৰ্থনীতি বিষয় পঢ়োৱা হয়। যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে বিষয়টোত মেজৰ লয় বা স্নাতকোত্তৰ মহলাত পাঠ্যক্ৰম হিচাপে লয়, তেওঁলোকক অকল এই বিষয়ৰ পুথিগত জ্ঞান আহৰণতে মগ্ন নাৰাখি, এই বিষয়টোৰ ব্যৱহাৰিক দিশত প্ৰশিক্ষণ দি দুটা কাম সমাধা কৰিব পাৰি। প্ৰথম হ'ল— তেওঁলোকে মাৰ্কেট ৰিছাৰ্চ বা মাৰ্কেট ছাৰ্ভে জাতীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ চাকৰি বা ক্ষণস্থায়ী প্ৰজেক্ট আদিত নিজকে মকৰল কৰাব পাৰিব।

দ্বিতীয়তে— অসমৰ অৰ্থনৈতিক বিকাশৰ বাবে আৱশ্যকীয় অধ্যয়ন বা পৰিসংখ্যা নিৰ্মাণ কৰাৰ বাবে তেওঁলোকৰ এই ব্যৱহাৰিক কাম-কাজবোৰ সহায়ক হৈ পৰিব। কথাটো

*বাহিৰৰ কিছুমান ইউনিভাৰচিটী বা মেনেজমেণ্ট ইঞ্জিনীয়াৰিঙৰ কলেজত Placement Cell ৰ ব্যৱস্থা আছে, যাৰ জৰিয়তে ব্যক্তিগত খণ্ডত উদ্ভৱ হোৱা নিয়োগসমূহৰ বাবে সম্ভাৱনাপূৰ্ণ আৰু দক্ষ ছাত্ৰ-ছাত্ৰীৰ কথা বিবেচনা কৰা হয়। অসমতো তেনেধৰণৰ কথা এটা ভাবিব নোৱাৰিনে? ৰাজ্যখনৰ ভিতৰত চাহশিল্প, কয়লা বা আন ধৰণৰ প্ৰতিষ্ঠানৰ বাবে বছৰি প্ৰয়োজন হোৱা মানৱ সম্পদৰ ওপৰত ছাত্ৰ-ছাত্ৰীয়ে এক সম্যক ধাৰণা ল'ব পাৰিলে, সেই নিয়োগৰ সম্পৰ্কত আৱশ্যকতা অনুসৰি নিজকে প্ৰস্তুত কৰি ল'ব পাৰে।*



অসমত গাঁৱে-ভূঞে থকা বিভিন্ন বনজ সম্পদৰ প্ৰকৃত সংৰক্ষণ আৰু তাৰ ঔষধি গুণৰ সন্দৰ্ভত অধ্যয়ন কৰাটো বৰ আৱশ্যকীয় হৈ পৰিছে। বহুজাতিক প্ৰতিষ্ঠানসমূহে যি সময়ত জেনেটিক ইঞ্জিনীয়াৰিঙৰ কথা কৈ অনুন্নত দেশসমূহৰ এনেবোৰ সম্পদৰ ওপৰত পেটেণ্টৰ ব্যৱস্থা কৰি শোষণৰ পাশুপাত প্ৰয়োগ কৰিবলৈ উদ্যত হৈছে, সেই সময়ত এনে ধৰণৰ কাম-কাজে অলপ হ'লেও ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থ ৰক্ষাত সহায় কৰিব। লগতে ব্যক্তিগতভাৱে হ'লেও ছাত্ৰ-ছাত্ৰীয়ে উদ্ভিদবিদ্যা বিষয়টোত চিন্তা-চৰ্চা কৰাৰ সমল পাব।

সহজভাৱে এনেধৰণে ক'ব পাৰি যে কলেজৰ অৰ্থনীতি বিভাগসমূহে তেওঁলোকৰ যিবোৰ ছাত্ৰ-ছাত্ৰীৰ বিষয়টোত মেজৰ আছে, সেইবোৰক গৰমৰ বন্ধ বা কলেজৰ শ্ৰেণী চলি নথকা সময়খিনিত, পাঠ্যক্ৰমৰ অংশ হিচাপে যদি প্ৰজেক্ট হিচাপে পৰিসংখ্যা কেনেকৈ সংগ্ৰহ কৰিব পাৰি, পৰিসাংখ্যিকৰ বা অৰ্থনৈতিক বিশ্লেষণ কেনেধৰণে আগবঢ়াব পাৰি সেইবোৰ কাম ব্যৱহাৰিকভাৱে ফিল্ডত কৰিবলৈ দিয়ে, তেন্তে সিয়ে ছাত্ৰ-ছাত্ৰীবোৰৰ শ্ৰেণীলব্ধ জ্ঞান বিকাশৰ পৰিপূৰ্ণতাত সহায় কৰিব। কোন কোম্পানীৰ কোনটো বস্তু বজাৰত চলিছে, গ্ৰাহকে কেনেধৰণে বস্তুবিধ আঁকোৱালি লৈছে, বজাৰৰ বিভিন্ন উপাদানে কেনেকৈ একোটা বস্তুৰ চাহিদা নিৰ্ধাৰণত সহায় কৰিছে বা কোনটো আয়ৰ মানুহে বস্তুবিধ গ্ৰহণ কৰিবলৈ লৈছে, এই ধৰণৰ ব্যৱহাৰিক অধ্যয়নে ছাত্ৰ-ছাত্ৰীক অৰ্থনীতি বিষয়ৰ শ্ৰেণীত শিকা কথাবোৰ ব্যৱহাৰিক চিন্তাধাৰাৰে কেনেধৰণে হৃদয়ংগম কৰিব পাৰি, সেই কথা বুজাত সহায় কৰিব। এই কচৰতে বিষয়টো সন্দৰ্ভত নিজৰ পাণ্ডিত্য বঢ়াব। লগতে এই ব্যৱহাৰিক জ্ঞানৰ ফলত মাৰ্কেট ৰিছাৰ্চ জাতীয় প্ৰতিষ্ঠানসমূহে নিয়োগ কৰিবৰ সময়ত তেওঁলোকে অগ্ৰাধিকাৰ পোৱাৰ সম্ভাৱনা থাকিব।

লগতে অন্য এটা ডাঙৰ কাম হ'ব। সেয়া হ'ল সামগ্ৰিকভাৱে ৰাজ্যখনে এক পৰিসংখ্যা বেংক গঢ়ি তুলিব পাৰিব। অসমত উদ্যোগ প্ৰতিষ্ঠা কৰিব খোজা বাহিৰৰ বিনিয়োগকাৰীৰ বাবে এনে ধৰণৰ পৰিসংখ্যাৰ ৰেডিমেড যোগান বৰ আৱশ্যক হৈ পৰে। তেনেধৰণে দীঘলীয়া বন্ধৰ সময়ত অসমৰ চৰ অঞ্চলৰ অৰ্থনৈতিক সম্ভাৱনীয়তা, তাত উৎপাদিত শস্যৰাজিৰ উৎপাদকতা আদিৰ ওপৰতো কলেজীয়া বা ইউনিভাৰচিটীৰ অৰ্থনৈতিক বিভাগসমূহে নিজৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অধ্যয়ন কৰাব পাৰে।

অন্যান্য বিষয়তো এনেধৰণৰ সম্ভাৱনীয়তা দেখা যায়। অসমত গাঁৱে-ভূঞে থকা বিভিন্ন বনজ সম্পদৰ প্ৰকৃত সংৰক্ষণ আৰু তাৰ ঔষধি গুণৰ সন্দৰ্ভত অধ্যয়ন কৰাটো বৰ আৱশ্যকীয় হৈ পৰিছে। বহুজাতিক প্ৰতিষ্ঠানসমূহে যি সময়ত জেনেটিক ইঞ্জিনীয়াৰিঙৰ কথা কৈ অনুন্নত দেশসমূহৰ এনেবোৰ সম্পদৰ ওপৰত পেটেণ্টৰ ব্যৱস্থা কৰি শোষণৰ পাশুপাত প্ৰয়োগ কৰিবলৈ উদ্যত হৈছে, সেই সময়ত এনে ধৰণৰ কাম-কাজে অলপ হ'লেও ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থ ৰক্ষাত সহায় কৰিব। লগতে ব্যক্তিগতভাৱে হ'লেও ছাত্ৰ-ছাত্ৰীয়ে উদ্ভিদবিদ্যা বিষয়টোত চিন্তা-চৰ্চা কৰাৰ সমল পাব। তেওঁলোকে এনে ধৰণৰ আপুৰুগীয়া বনজ সম্পদবোৰৰ নমুনা সংগ্ৰহ কৰি তাক প্ৰকৃত শ্ৰেণী বিন্যাস আদি কৰি প্ৰাকৃতিক যাদুঘৰ খুলি তাক কেন্দ্ৰীয়ভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰিব পাৰি। জিলা ভিত্তিত কোনো একোখন ডাঙৰ কলেজক সংৰক্ষণৰ স্থান হিচাপে ব্যৱহাৰ কৰিব পাৰি। এনেধৰণৰ কথা হয়তো মেজৰ লোৱা ছাত্ৰ-ছাত্ৰীয়ে কৰিব লগাৰ ব্যৱস্থা আছে, কিন্তু আমাৰ কথা হ'ল যে অকল পৰীক্ষাৰ উদ্দেশ্যে এনেধৰণৰ ব্যৱস্থাৱলী লোৱাতকৈ, বিশ্ৰামৰ সময়ৰ সদ্ ব্যৱহাৰ আৰু বিষয় এটাৰ ব্যৱহাৰিক দিশৰ প্ৰতি নিজৰ একাগ্ৰতা বঢ়াই তুলি ছাত্ৰ-ছাত্ৰীক চিন্তাৰ খোৰাক যোগোৱাৰ উদ্দেশ্য বুলিও গণ্য কৰিব পাৰি।

ছাত্ৰ-ছাত্ৰীক বৃত্তিমুখী শিক্ষাৰ ফালে ধাৱিত কৰাৰ ইয়ো এক পৰোক্ষ উপায়। এইখিনিতে এইটো কথা উল্লেখ কৰিব পাৰি যে বাহিৰৰ কিছুমান ইউনিভাৰচিটী বা মেনেজমেণ্ট ইঞ্জিনীয়াৰিঙৰ কলেজত Placement Cell ৰ ব্যৱস্থা আছে, যাৰ জৰিয়তে ব্যক্তিগত খণ্ডত উদ্ভৱ হোৱা নিয়োগসমূহৰ বাবে সম্ভাৱনাপূৰ্ণ আৰু দক্ষ ছাত্ৰ-ছাত্ৰীৰ কথা বিবেচনা কৰা হয়। অসমতো তেনেধৰণৰ কথা এটা ভাবিব নোৱাৰিনে? ৰাজ্যখনৰ ভিতৰত চাহশিল্প, কয়লা বা আন ধৰণৰ প্ৰতিষ্ঠানৰ বাবে বছৰি প্ৰয়োজন হোৱা মানৰ সম্পদৰ ওপৰত ছাত্ৰ-ছাত্ৰীয়ে এক সম্যক ধাৰণা ল'ব পাৰিলে, সেই নিয়োগৰ সম্পৰ্কত আৱশ্যকতা অনুসৰি নিজকে প্ৰস্তুত কৰি ল'ব পাৰে। উদাহৰণ স্বৰূপে, গেছক্ৰেকাৰ প্ৰকল্পৰ দৰে প্ৰতিষ্ঠান এটাৰ দ্বাৰা ভাটিমুখী কি কি উদ্যোগ গঢ়ি উঠিব পাৰে, তাৰ দ্বাৰা কিমান লোকে তেনেবোৰ উদ্যোগত নিযুক্তি পাব পাৰে সেইবোৰৰ সম্পৰ্কত বহল ভিত্তিক চেমিনাৰ ইত্যাদি পাতি কলেজ-বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক নতুন নতুন বিষয়ৰ প্ৰতি আকৃষ্ট কৰিব পাৰি আৰু ভৱিষ্যতে মানৰ সম্পদৰ সঠিক ব্যৱহাৰৰ ওপৰত নিশ্চয়তা আনিব পাৰি। এনেধৰণৰ প্ৰয়াসৰ ফলত কলেজ-ইউনিভাৰচিটীৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভৱিষ্যতৰ পন্থা স্থিৰ কৰি ল'বলৈ সুবিধা পাব, লগতে সিয়েই তেওঁলোকৰ মগজুৰ চিন্তা কৰা শক্তি বঢ়োৱাৰ উপৰি পঢ়া-শুনাৰ প্ৰতি তেওঁলোকৰ ৰাপ বঢ়াব। মগজুৱে নতুন নতুন ধৰণৰ চিন্তা-চৰ্চাৰে অগ্ৰগামী হোৱাৰ ব্যৱস্থা কৰিব নোৱাৰিলে, ই অকাৰ্যক্ষম হৈ হৈ এটা সময়ত মামৰে ধৰা কটাৰীৰ দৰে হ'বগৈ, যাৰ ফলত অন্য ৰাজ্যৰ নতুন প্ৰজন্মই অসমৰ নতুন প্ৰজন্মক বহুত পিছতে এৰি থৈ আগবাঢ়ি যাব।

(সতৰ্কবাণী ঃ অসমৰ মানুহে অন্ধ্ৰপ্ৰদেশৰ পৰা খুজি-মাগি অনা কণী আৰু মাছ খাই কিংকঙৰ লেখীয়া খোৱাতো বিখ্যাত হ'ব পাৰিব বুলি আমাৰ মনে নধৰে। গতিকে বিখ্যাত লোকৰ মগজুৰ কথা ভাবি মগজুৰ অনুশীলনকে আৰম্ভ কৰাতে আগভাগ লওঁ আহক।) (সাহিত্য অকাডেমী বঁটা প্ৰাপক লেখক শইকীয়া বৰ্তমান অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান)

## স্থাপন হ'ব উদ্যোগ

# মুকলি হ'ব কৰ্ম সংস্থাপন



ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰে। বিশেষকৈ ঔদ্যোগিক খণ্ডৰ বিকাশ সাধনেৰে ৰাজ্যখনক ক্ষিপ্ৰ অৰ্থনৈতিক বিকাশৰ পথেৰে আগুৱাই নিয়াৰ বাবে চৰকাৰখনে বিভিন্ন ধৰণৰ কৰ্ম আঁচনি যুগুত কৰিছে। ঔদ্যোগিক বিকাশ আৰু আৰ্থিক উন্নতিৰ সমান্তৰালকৈ ৰাজ্যখনত নিবনুৱা সমস্যাৰ হেঁচা হ্ৰাস কৰাৰ বাবেও চৰকাৰে চিন্তা-চৰ্চা কৰিছে। ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু পৰিবহণ দপ্তৰৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে যোৱা ২৮ ডিচেম্বৰত ঔদ্যোগিক বিকাশ সম্পৰ্কীয় বিস্তৃত আঁচনিৰ বিষয়ে ঘোষণা কৰিছে। উদ্যোগ স্থাপনৰ জৰিয়তে ৰাজ্যখনৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাৰ আঁচনি সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰা মতে ছয়গাঁৱত চাহ উদ্যোগ, বালিপৰাত জৈৱিক হাব, গুৱাহাটীৰ সমীপৱৰ্তী এলেকাত এখন ফাৰ্মা পাৰ্ক, আজাৰাত এখন বেম্বো হাব, দুৰ্ঘটনা প্ৰতিৰোধৰ উদ্দেশ্যে এখন লজিষ্টিক হাব স্থাপনৰ প্ৰস্তুতি চলোৱা হৈছে। একেদৰে নগাঁও, ধুবুৰী আৰু মধ্য অসমৰ কোনো এক অঞ্চলত একোটাকৈ মৰাপাট উদ্যোগ আৰু দৰঙত এখন টেক্সটাইল হাব স্থাপনৰ আঁচনি লোৱা হৈছে। বৰুৱাবামুণ গাঁও আৰু কামপুৰত থকা চেনিকল দুটাৰ লগতে ধুবুৰীৰ গৰুগাড়ী মাৰ্কা দিয়াচলাই উদ্যোগটো পুনৰুজ্জীৱিতকৰণৰ বাবে চৰকাৰে আঁচনি লৈছে। ৰাজ্যখনত কুঁহিয়াৰৰ উৎপাদন বৃদ্ধিৰ বাবে চৰকাৰে আঁচনি লৈছে। এই অনুসৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত বিজ্ঞানসন্মতভাৱে কুঁহিয়াৰ খেতিৰ পৰিসৰ বৃদ্ধিৰে কুঁহিয়াৰ উৎপাদনৰ ক্ষেত্ৰত অসমক অন্যান্য ৰাজ্যসমূহৰ সমকক্ষ কৰাৰ প্ৰয়াস চলোৱা হ'ব। বৰ্ধিত হাৰত কুঁহিয়াৰ উৎপাদন হ'লে ব্যক্তিগত খণ্ডৰ বিনিয়োগৰ ভিত্তিত ৰাজ্যখনত কমেও পাঁচটা নতুন চেনিকল স্থাপন কৰা হ'ব। এই চেনিকলকেইটাত চেনিৰ উপৰি ইথানল আদিও উৎপাদনৰ ব্যৱস্থা কৰা হ'ব। অসমত এখন হাইড্ৰোকাৰ্বন হাব স্থাপনৰ আঁচনিৰ বিষয়েও উল্লেখ কৰিছে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। ৰাজ্যখনৰ শোধনাগাৰকেইটাৰ উৎপাদন ক্ষমতা বৃদ্ধিৰ লগতে নুমলীগড় আৰু বঙাইগাঁও শোধনাগাৰ সম্প্ৰসাৰণৰ সিদ্ধান্ত লোৱা হৈছে।

ৰাজ্যখনত উৎপাদিত ফলমূল-শাক-পাচলি আৰু মছলা আদিক কেঁচামাল হিচাপে লৈ প্ৰতিখন জিলাৰ প্ৰতিটো ব্লকতে একোটাকৈ খাদ্য সংসাধন উদ্যোগ স্থাপনৰো আঁচনি লোৱা হৈছে। ৰাজ্যখনক আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে গুৱাহাটীত এটা বিশ্ব বাণিজ্য কেন্দ্ৰ স্থাপনৰ কথাও চিন্তা কৰিছে চৰকাৰে। ৰাজ্যখনত থকা আই টি আইকেইখনৰ আধুনিকীকৰণৰ লগতে সেই প্ৰযুক্তি শিক্ষা প্ৰতিষ্ঠানবোৰত নতুন বিষয়ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্তিৰো প্ৰস্তুতি চলোৱা হৈছে। পৰিৱৰ্তিত আৰ্থ-সামাজিক প্ৰেক্ষাপটত বিশেষভাৱে গুৰুত্বপূৰ্ণ হৈ পৰা বিভিন্ন আধুনিক প্ৰযুক্তিৰ জ্ঞান আহৰণৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব আই টি আইসমূহক। তেনে বিষয় অধ্যয়ন কৰি আই টি আইৰ ছাত্ৰ-ছাত্ৰীসকলে নিযুক্তিৰ প্ৰতিযোগিতাত যোগ্যতাৰে অৱতীৰ্ণ হ'ব পাৰিব। দেশৰ কেইবাটাও আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীৰ উপৰি এটা আমেৰিকান কোম্পানীয়েও ১০০ নিযুত ডলাৰ বিনিয়োগেৰে অসমত উদ্যোগ স্থাপনৰ প্ৰস্তুতি চলাইছে। ঔদ্যোগীকৰণৰ এনে আশাব্যঞ্জক দৃশ্যপটৰ মাজত ৰাজ্যখনত মুকলি হ'ব প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্ম সংস্থাপনৰ এক বিশাল ক্ষেত্ৰ। ❐❐

# মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা ঃ এক অৱলোকন




এখন দেশক উন্নয়নৰ শিখৰলৈ নিবলৈ হ'লে প্ৰথমেই উন্নয়ন হ'ব লাগিব গ্ৰামাঞ্চলৰ। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখন শাসনলৈ অহাৰ পিছৰে পৰা দুখীয়া শ্ৰেণীৰ লোকৰ উন্নয়নৰ লগতে গ্ৰামাঞ্চলৰ উন্নয়নত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। অসমো ইয়াৰ ব্যতিক্ৰম নহয়। অসমতো মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ ফলত গ্ৰামাঞ্চলৰ সৰ্বাংগীণ উন্নয়নৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা পৰিলক্ষিত হৈছে। অসম এখন কৃষিপ্ৰধান ৰাজ্য। অসমৰ প্ৰায় ৭০ শতাংশ লোক কৃষিজীৱী আৰু ইয়াৰ বুজন সংখ্যক লোকেই গ্ৰামাঞ্চলত বাস কৰে। কৃষি অৰ্থনীতিৰ লগত অসমৰ বিকাশ বহু পৰিমাণে নিৰ্ভৰ কৰে। কৃষি খণ্ডৰ সৰ্বাধিক বিকাশৰ ওপৰতো ৰাজ্য চৰকাৰখনে শাসনভাৰ লোৱাৰ সময়ৰ পৰাই গুৰুত্ব প্ৰদান কৰি আহিছে। কৃষকসকলৰ উন্নয়নত মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশেষ দৃষ্টি ৰাখিছে। কৃষকসকল অৰ্থনৈতিক দিশত সবল হ'লেহে গ্ৰামাঞ্চলৰ উন্নতি হ'ব। গতিকে কৃষকসকলৰ উপাৰ্জন বৃদ্ধিৰ ওপৰতো সমানে গুৰুত্ব প্ৰদান কৰিব লাগিব। কৃষকসকল স্বাৱলম্বী হ'লেহে গ্ৰামাঞ্চলৰ কৃষি ব্যৱস্থা উন্নত হ'ব। কৃষকসকলৰ লগতে গ্ৰামাঞ্চলৰ যুৱক-যুৱতীসকলৰো উন্নয়ন হ'ব লাগিব। তেওঁলোক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'লেহে প্ৰকৃত অৰ্থত গ্ৰামাঞ্চলৰ উন্নয়ন সম্ভৱ হ'ব। ৰাজ্য চৰকাৰে বিভিন্ন কল্যাণকামী আঁচনি ৰূপায়ণৰ যোগেদি গাঁৱৰ অৰ্থনৈতিক উন্নয়ন সাধন কৰিবলৈ চেষ্টা চলাই আহিছে। বিগত সময়ছোৱাতো গাঁৱৰ উন্নয়নৰ বাবে বহু আঁচনি গ্ৰহণ কৰা হৈছে। অৱশ্যে প্ৰায় ২৫ হাজাৰখন গাঁও থকা আমাৰ ৰাজ্যখনত একে সময়তে উন্নয়ন সম্ভৱ নহয়। কিছু সংখ্যক গাঁও চৰকাৰী আঁচনিসমূহৰ সুযোগ লাভৰ পৰা বঞ্চিত হয়। গতিকে এই সকলো কথা আলোচনা কৰি গ্ৰামাঞ্চলৰ সৰ্বাধিক উন্নয়নৰ বাবে এখন কল্যাণকামী আঁচনি গ্ৰহণ কৰাত গুৰুত্ব প্ৰদান কৰিছে। মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা নামে এক বৃহৎ আঁচনি হাতত লোৱাৰ পৰিকল্পনা গ্ৰহণ কৰা হয় ২০১৬-১৭ চনৰ বিত্তীয় বাজেটত। প্ৰকৃত অৰ্থত ২০১৬-১৭ ৰ পৰা ২০২১-২২ চনলৈ এই পাঁচ বছৰত এই আঁচনিখনৰ ৰূপায়ণ সমাপ্ত হ'ব। উল্লেখযোগ্য যে ২০২১-২২ চনত ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্ণ হ'ব। গৌৰৱোজ্জ্বল ৭৫ বছৰত এই আঁচনিখনৰ সফল ৰূপায়ণ এক উল্লেখযোগ্য দিশ হিচাপে বিবেচিত হ'ব। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্য দৰ্শনৰ লগত সংগতি ৰাখি কৃষকসকলৰ আয় দুগুণ কৰাই এই আঁচনিৰ মুখ্য উদ্দেশ্য। যোৱা ৫ ফেব্ৰুৱাৰীত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ শুভ উদ্বোধন কৰা হয়। এই আঁচনিৰ লক্ষ্যই হৈছে কৃষকৰ উপাৰ্জন দুগুণ কৰা। ২০০২-০৩ বৰ্ষৰ পৰা ২০১২-১৩ বৰ্ষলৈ অসমৰ কৃষি উৎপাদনৰ হাৰ ০.৪৪ শতাংশ। এই অৱস্থাত কৃষকসকলৰ উপাৰ্জন দুগুণ কৰিবলৈ অতি কমেও ৭০-৮০ বছৰ লাগিব। গতিকে অনাগত পাঁচ বছৰৰ ভিতৰত কৃষকসকলৰ লগতে গাঁও অঞ্চলৰ পৰিৱৰ্তন সম্ভৱ কৰিবলৈ এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। কৃষকৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে এই আঁচনিখনৰ অধীনত আন আন কেইটিমান দিশৰ ওপৰতো গুৰুত্ব দিয়া হ'ব। উদাহৰণস্বৰূপে— কৃষি, মীনপালন, দুগ্ধ উৎপাদন, পশুপালন আৰু গাহৰি পালন, ৰেচম, খাদী আৰু গ্ৰামোদ্যোগ, অসম বাণিজ্যিক ৰোপণ কাৰ্যসূচী, যুৱ উন্নয়ন, ক্ৰীড়া আৰু সাংস্কৃতিক দিশক সামৰি উন্নয়ন কৰা হ'ব। গাঁৱৰ উন্নয়ন হ'বলৈ হ'লে বাট-পথৰ উন্নয়ন হ'ব লাগিব। আনহাতে গ্ৰামাঞ্চলত জ্ঞান কেন্দ্ৰ (Village Knowledge Center) স্থাপন কৰিব লাগিব। এই